**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-JAN-2026
**Time :** 0755  HRS

***Assamese Morning Bulletin***

———————————————

ছুইজাৰলেণ্ডৰ ডাভ'ছত অনুষ্ঠিত বিশ্ব অৰ্থনৈতিক মঞ্চৰ অধিৰেশনত অসমে প্ৰথমবাৰৰ বাবে অংশগ্ৰহণ কৰাৰ পাছত ৰাজ্যখনত বিশ্বৰ ভালেকেইটা কোম্পানীয়ে বিনিয়োগৰ বাবে ইচ্ছা প্ৰকাশ কৰিছে। অসমত বিশ্বৰ বিভিন্ন কোম্পানীয়ে প্ৰায় এক লাখ কোটি টকাৰ বিনিয়োগৰ প্ৰস্তাৱ দিছে। ভাৰতৰ প্ৰতিনিধি মণ্ডলীৰ সৈতে ডাভ'ছত এই সন্মিলনত অংশগ্ৰহণ কৰা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি সংবাদ মাধ্যমৰ আগত এই বিনিয়োগৰ প্ৰস্তাৱৰ বিষয়ে জনাইছে। ইয়াৰ জৰিয়তে অসমৰ লগতে সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চল উপকৃত হ'ব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে সদৰি কৰিছে। ইতিমধ্যে এই সন্মিলনত অসমে ১০ খন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। ড০ শৰ্মাই কয়, যে ভাৰত-ব্ৰিটেইন আৰু ভাৰত-ইউৰোপীয় সংঘ মুক্ত বাণিজ্য চুক্তিৰ জৰিয়তে অসমৰ চাহে বিশ্ব বজাৰ লাভ কৰিব। অসমৰ চাহ উদ্যোগৰ সৈতে জড়িত বিভিন্ন উদ্যোগে অনাগত দিনত অধিক প্ৰসাৰতা লাভ কৰিব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰিছে। এই সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত তেওঁ কয়, যে ভাৰতৰ ঘৰুৱা বজাৰখন শক্তিশালী হৈ আছে যদিও ইণ্ডো-ইউৰোপীয় ইউনিয়নৰ সৈতে মুক্ত বাণিজ্য চুক্তি কাৰ্যকৰী হ'লে অসমৰ চাহে বৃহৎ অগ্ৰগতি লাভ কৰিব। ইয়াৰ ফলত অসমৰ চাহে ৰপ্তানিৰ বাবে গুৰুত্বপূৰ্ণ কৰিডৰ লাভ কৰিব বুলিও তেওঁ কয়।

**বাইট (চি এম)**

মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে বিগত ৫ বছৰত চাহ, কৃষি, নিৰ্মাণ, খনি আৰু খনিজাত পদাৰ্থ আৰু সেৱা খণ্ডৰ ভাল প্ৰদৰ্শনৰ ফলত ৰাজ্যখনৰ বিকাশৰ হাৰ ৰাষ্ট্ৰীয় পৰ্যায়তকৈ অধিক হৈছে। অসম মাত্ৰ এখন ৰাজ্য নহয় বৰং উত্তৰ-পূৰ্বাঞ্চলৰ আঠোখন ৰাজ্যৰ সমষ্টি বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। তেওঁ লগতে ছেমিকণ্ডাক্টৰ খণ্ডক নতুন যুগৰ উদ্যোগ বুলি অভিহিত কৰে।

বিশ্ব অৰ্থনৈতিক মঞ্চৰ অধিবেশনত অংশ লোৱাৰ সুযোগতে মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কালি বহুজাতিক উদ্যোগ এ বি ইনবেভৰ এগৰাকী শীৰ্ষ বিষয়া আন্দ্ৰে পেনাটেৰ সৈতে আলোচনাত মিলিত হয়। প্ৰতিষ্ঠানটোৱে অসমত তেওঁলোকৰ উৎপাদন সম্প্ৰসাৰণৰ বাবে আগ্ৰহ প্ৰকাশ কৰে। তেওঁ লগতে সংযুক্ত আৰৱ আমিৰি ৰাষ্ট্ৰত থকা লুলু গ্ৰুপৰ অধ্যক্ষ ইউছুফ আলীৰ সৈতে এখন  বৈঠকত অসমৰ কৃষি প্ৰসংস্কৰণ, আতিথ্য, খুচুৰা ব্যৱসায় আদি খণ্ডত বিনিয়োগৰ সম্ভাৱনীয়তা সন্দৰ্ভত আলোচনা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে ইয়াৰ পূৰ্বে বৰাহ গোটৰ মুখ্য পৰিচালন বিষয়া ইকাৰাজ জানজেনৰ সৈতে বিশেষ বৈঠকত মিলিত হয়। বৈঠকত কাৰ্বন ডাই অক্সাইড নিষ্কাষণৰ সৈতে কাম কৰি থকা সংস্থাটোৰ বিশেষ পদ্ধতি অসমৰ কৃষক সমাজক উপকৃত কৰিব পৰাকৈ প্ৰয়োগ কৰাৰ বিষয় লৈ আলোচনা কৰা হয়।

০০০০০০

অসম-নগালেণ্ড সীমাৰ বান্দৰছলিয়াৰ স্বৰ্ণপুৰ আৰু আগহাটিটুৰ প্ৰাণৰ শিল্পী জুবিন গাৰ্গ সমন্বয় ক্ষেত্ৰত আজিৰ পৰা ২৪ জানুৱাৰীলৈ পাদদেশীয় ৰাষ্ট্ৰীয় নাট মহোৎসৱ অনুষ্ঠিত হ'ব। অসমীয়া আৰু নগা লোকৰ সাতামপুৰুষীয়া সম্প্ৰীতি-সম্পৰ্ক দৃঢ় কৰাৰ উদ্দেশ্যে পাদদেশীয় সমন্বয় মঞ্চৰ উদ্যোগত আৰু উত্তৰ-পূৰ্বাঞ্চল খিলঞ্জীয়া গণমঞ্চৰ সহযোগত আয়োজিত এই ৰাষ্ট্ৰীয় নাট মহোৎসৱত অসমৰ লগতে নগালেণ্ড, মণিপুৰ আৰু মিজোৰামৰ

কেইবাটাও নাট্যদলে অংশগ্ৰহণ কৰিব। মুকলি মঞ্চত দিনৰ ভাগতে নাটক মঞ্চস্থ হ'বলগা এই মহোৎসৱৰ উদ্বোধনী অনুষ্ঠানত অসমৰ লগতে নগালেণ্ডৰ বহু কেইগৰাকী বিশিষ্ট ব্যক্তি আৰু সাংস্কৃতিক কৰ্মীয়ে অংশগ্ৰহণ কৰিব।

০০০০০০

শিৱসাগৰ জিলাত বৃহত্তৰ ৰংপুৰ মে-ডাম-মে-ফি উদযাপন সমিতিৰ উদ্যোগত আৰু আটাছু জিলা সমিতিৰ সহযোগত অহা ৩০ জানুৱাৰীৰ পৰা ১ ফেব্ৰুৱাৰীলৈ আন্তঃৰাষ্ট্ৰীয় মে-ডাম-মে-ফিৰ আয়োজন কৰা হৈছে। উদযাপন সমিতিয়ে আজি এই সন্দৰ্ভত এখন সংবাদমেলৰ আয়োজন কৰি কয়, যে প্ৰতিবছৰে মে-ডাম-মে-ফিৰ সৈতে সংগতি ৰাখি অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় পৰ্যায়ৰ মাৰাথন এইবাৰ বাতিল কৰা হৈছে। ইয়াৰ পৰিৱৰ্তে ১ ফেব্ৰুৱাৰীত শিৱসাগৰৰ বৰপুখুৰীৰ পাৰত ৰাজ্যিক ভিত্তিত হেৰিটেজ ৰানৰ আয়োজন কৰা হ'ব। পুৰুষ আৰু মহিলাৰ তিনিটা শাখাত হ'বলগীয়া এই প্ৰতিযোগিতাত বিজয়ীসকলক নগদ ধনেৰে পুৰস্কৃত কৰা হ'ব বুলি উদযাপন সমিতিয়ে প্ৰকাশ কৰে।

০০০০০০

জাগীৰোডৰ জোনবিলৰ পাৰত আজিৰে পৰা ২৪ জানুৱাৰীলৈ তিনিদিনীয়া কাৰ্যসূচীৰে ঐতিহাসিক গোভা দেওৰজাৰ পৰম্পৰাগত জোনবিল মেলা অনুষ্ঠিত হ'ব। প্ৰতিবছৰৰ দৰে এইবাৰো বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকৰ সমন্বয়ৰ ভূমি জোনবিলৰ পাৰত পাহাৰ-ভৈয়ামৰ সম্প্ৰীতিৰ নিদৰ্শন দেখিবলৈ পোৱা যাব। আজি পুৱা পতাকা উত্তোলন আৰু মাংগলিক অনুষ্ঠানৰ লগতে তিৱা জাতীয় জীৱনৰ সৈতে জড়িত গৃহ মুকলি কৰা হ'ব। আজি পাহাৰৰ মামা-মামীসকল সামগ্ৰী বিনিময়ৰ বাবে মেলালৈ আহিব। কাইলৈ কাহিলী পুৱাতে ঐতিহাসিক বিনিময় প্ৰথাৰে হাট মুকলি কৰা হ'ব। মামা-মামীসকলে পাহাৰত উৎপাদিত আলু, কচু, আদা, হালধি আদি সামগ্ৰীৰে ভৈয়ামৰ লোকসকলৰ সৈতে অন্যান্য সামগ্ৰী আদান-প্ৰদান কৰিব। ইয়াৰ পাছতে জোনবিলৰ পাৰত সমূহীয়া মাছ ধৰা পৰ্ব আৰু পৰম্পৰাগত কুকুৰা যুঁজ অনুষ্ঠিত হ'ব। কাৰ্যসূচীৰ অংশ হিচাপে মধ্য অসমৰ পৰম্পৰাগত তিৱাসকলৰ ৰাজ দৰবাৰত ২২ গৰাকী তিৱা ৰজাক মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজভাট্টা প্ৰদান কৰিব। ইয়াৰ লগতে তিৱা আৰু অসমীয়া ভাষাৰ কবি সন্মিলন, বিভিন্ন নৃত্য-গীতৰ কাৰ্যসূচী আৰু সুস্বাদু খাদ্যৰ মেলা অনুষ্ঠিত হ'ব।

০০০০০০

**সমাপ্ত**